**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ছদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডলৈ ৰাওনা হৈছে।

২। কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ মাদক দ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হৈছে।

৩। ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰেপৰা অনুষ্ঠিত হৈছে।

৪। উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু লোকসভাৰ অধ্যক্ষকে ধৰি বিভিন্নজনে ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত ইংলেণ্ডে মেক্সিকোক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ছদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডলৈ ৰাওনা হৈছে। ৰাওনা হোৱাৰ আগমুহূৰ্তত দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ ৬ৰ পৰা ৮ জুলাইলৈকে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'অ' ছুবিয়াণ্ট'ৰ আমন্ত্ৰণক্ৰমে দেশখন ভ্ৰমণ কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা বিস্তাৰিত কৌশলগত অংশীদাৰিত্ব অধিক সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ দেশখনত থকা ভাৰতীয় সকলৰ সৈতে মত বিনিময় কৰিব আৰু ৰাষ্ট্ৰপতি ছুবিয়াণ্ট'ৰ সৈতে য়োগ্যাকাৰ্টাত থকা প্ৰমবানন মন্দিৰ চৌহদ পৰিভ্ৰমণ কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি প্ৰব'অ' ছুবিয়াণ্ট'ৰ সৈতে দ্বিপাক্ষিক আলোচনাতো মিলিত হ'ব।

ইণ্ডোনেছিয়াৰ পৰা ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী তিনিদিনীয়া কাৰ্যসূচীৰে ৮ জুলাইত অষ্ট্ৰেলিয়াৰ মেলবৰ্নত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজৰ সৈতে তৃতীয় ভাৰত-অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে লগতে ভাৰত-অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ মঞ্চত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ শীৰ্ষ ব্যৱসায় নেতাসকলক উদ্দেশি ভাষণ দিব। এই ভ্ৰমণে ভাৰত-অষ্ট্ৰেলিয়াৰ মাজৰ সম্পৰ্কক সুদৃঢ় কৰি তুলিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য, বিনিয়োগ, শিক্ষা, জটিল প্ৰযুক্তি, ক্ৰীড়া, জনসংযোগ আদি বিভিন্ন বিষয়ত মত বিনিময় কৰিব। তেওঁ মেলবৰ্নৰ প্ৰবাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব।

ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত তেওঁ দুদিনীয়া সূচীৰে ১০ জুলাইত নিউজিলেণ্ডলৈ যাব। শ্ৰীমোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই বিগত ২ দুবছৰত বিশেষ অগ্ৰগতি লাভ কৰা বাণিজ্য-বিনিয়োগ আৰু প্ৰতিৰক্ষা খণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক

সম্পৰ্কৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দেশখনৰ অগ্ৰণী ব্যৱসায় আৰু ক্ৰীড়াবিদসকলৰ সৈতে মত বিনিময় কৰিব। ভাৰত আৰু নিউজিলেণ্ডৰ জনসাধাৰণৰ মাজৰ শক্তিশালী সম্পৰ্ক প্ৰতিফলিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ব্ৰীকছ্ ৰাষ্ট্ৰৰ মাদক দ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হৈছে। গৃহ মন্ত্ৰালয়ৰ অধীনৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত আয়োজিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছ্ৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে অংশ লৈছে। ভাৰতীয় প্ৰতিনিধিদলৰ নেতৃত্বত থকা মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ সঞ্চালক প্ৰধান অনুৰাগ গাৰ্গে এই বৈঠক মুকলি কৰি কয়, যে ড্ৰাগছৰ সৰবৰাহ আৰু ইয়াৰ লগত জড়িত দ্ৰব্যসমূহৰ অপব্যৱহাৰ ৰোধ কৰাৰ গোলকীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে  ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ সামৰ্থ বৃদ্ধি আৰু এই সন্দৰ্ভত স্থিতি দৃঢ় হ'ব লাগিব। তেওঁ ডাৰ্ক নেট মঞ্চৰ জৰিয়তে সীমান্তৰ সিপাৰৰ পৰা মাদকদ্ৰব্যৰ সৰবৰাহৰ নেটৱৰ্কৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা গঢ়ি তোলাৰ পোষকতা কৰে। তেওঁ লগতে কৃত্ৰিম ড্ৰাগছ, নতুন মনোসক্ৰিয় পদাৰ্থ আৰু সামুদ্ৰিক পথেৰে ড্ৰাগছ সৰবৰাহৰ নতুন পদ্ধতি আৰু এই সন্দৰ্ভত নিয়মীয়া তথ্য আদান-প্ৰদানৰ বাবে ব্ৰীকছ্ ৰাষ্ট্ৰৰ এটা নিয়মীয়া ভাৰ্চুৱেল গোট গঠনৰ পোষকতা কৰে। ইয়াৰ বাবে   যুটীয়া আইন বলৱৎ কৰাৰ পোষকতা কৰে। ভাৰতৰ প্ৰতিনিধিয়ে মাদকদ্ৰব্যৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণৰ কথা অৱগত কৰে। ইয়াৰ লগতে কঠোৰ আইন বলৱৎ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণেৰে এই বৈঠকৰ সামৰণি পৰিব।

০০০০০০০০০

ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা চাৰে ৯ বজাত প্ৰশ্নোত্তৰ কালেৰে সদনৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। এই ২১ দিনীয়া অধিৱেশনত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ জুলাইত ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

ৰাজ্যত অনিয়মীয়া বিদ্যুৎ যোগান, চৰকাৰী বিদ্যালয় ক্ৰমশঃ বন্ধ হোৱা, বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰা আদি বিভিন্ন বিষয়ৰ আলোচনা বিচাৰি ব্যৰ্থ হোৱাৰ পাছত আজি বিধানসভা অধিৱেশনৰ প্ৰথম দিনাই কংগ্ৰেছ আৰু ৰাইজৰ দলসহ বিৰোধীয়ে সদন ত্যাগ কৰে। আজি অধিৱেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতে সদনত কংগ্ৰেছে প্ৰচণ্ড গৰমৰ মাজত ৰাজ্যজুৰি সঘনাই বিদ্যুৎ কৰ্তন হোৱা বিষয়ত আলোচনা কৰাটো বিচাৰে। আনহাতে ৰাজ্যত ক্ৰমাগতভাৱে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি দিয়াৰ বিষয়ত সদনত ৰাইজৰ দলে আলোচনা বিচাৰে। এ আই ইউ ডি এফেও বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰাৰ বিৰুদ্ধে সৰৱ হয় আৰু এই বিষয়ত সদনত আলোচনা বিচাৰে। তিনিওটা দলে এইবোৰ বিষয়ত সভাস্থগিত প্ৰস্তাৱ আনিবলৈ বিচাৰে। কিন্তু অধ্যক্ষই এই কেইটা বিষয়ৰ আলোচনা পিছে পৰেও কৰা হ'ব বুলি উল্লেখ কৰি সভা স্থগিত প্ৰস্তাৱৰ অনুমতি নিদিয়াত তিনিওটা দলে সদন ত্যাগ কৰি ওলাই আহি বাহিৰত প্ৰতিবাদমুখৰ হৈ পৰে।

০০০০০০০০০

নিৰ্বাচন আয়োগে আজি দেশৰ তিনিখন ৰাজ্য – ক্ৰমে বিহাৰ, গুজৰাট আৰু মধ্য প্ৰদেশৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জাননী জাৰি কৰিছে। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিকেইটা হৈছে – বিহাৰৰ বাংকিপুৰ, গুজৰাটৰ মাঞ্জলপুৰ আৰু মধ্যপ্ৰদেশৰ দাতিয়া। উপ-নিৰ্বাচনৰ বাবে অহা ১৩ জুলাইলৈকে মনোনয়ন পত্ৰ গ্ৰহণ কৰা হ'ব আৰু ১৪ জুলাইত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। অহা ৩০ জুলাইত সমষ্টিকেইটাত ভোটগ্ৰহণ কৰা হ'ব।

বিহাৰৰ বাংকিপুৰ সমষ্টিত বিজেপিৰ সভাপতি নিতিন নবীন সংসদলৈ নিৰ্বাচিত হোৱাত সেই সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ইফালে গুজৰাটৰ মঞ্জলপুৰ সমষ্টিত যোগেশভাই নৰনদাস পেটেলৰ বিয়োগৰ বাবে সমষ্টিটোত পুনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। আনহাতে মধ্যপ্ৰদেশৰ দাটিয়া সমষ্টিত ৰাজেন্দ্ৰ ভাৰতীৰ বিধায়ক পদ খাৰিজ কৰাৰ পাছত খালী হৈ থকা আসনখনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু লোকসভাৰ অধ্যক্ষকে ধৰি বিভিন্নজনে ডং শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি উপ-ৰাষ্ট্ৰপতি ভৱনত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি অৰ্পণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী ৰাধাকৃষ্ণণে কয়, যে বিশিষ্ট শিক্ষাবিদ, দূৰদৰ্শী নেতা  তথা ৰাষ্ট্ৰ নিৰ্মাতা ডং মুখাৰ্জীয়ে ভাৰতৰ শিক্ষা, ৰাজনীতি আৰু গণতান্ত্ৰিক যাত্ৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। তেওঁ কয়, যে কলকাতা বিশ্ববিদ্যালয়ৰ অতি কম বয়সৰ উপাচাৰ্য, সংবিধান সভাৰ সদস্য, অখিল ভাৰতীয় হিন্দু মহাসভাৰ সভাপতি, স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উদ্যোগ আৰু যোগান মন্ত্ৰী তথা ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক হিচাপে ডং মুখাৰ্জীয়ে ৰাষ্ট্ৰ সেৱাত অনবদ্য অৱদান দি গৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডং মুখাৰ্জীৰ জয়ন্তীত শ্ৰদ্ধা জনাই তেওঁক সাহসিকতা, জাতীয়তাবাদ আৰু নিঃস্বাৰ্থ সেৱাৰ শাশ্বত উদাহৰণ বুলি উল্লেখ কৰে। এই উপলক্ষে লিখা এটা প্ৰবন্ধত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ডং শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ৰাজহুৱা জীৱন অখণ্ড ভাৰতৰ প্ৰতি তেওঁৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰমাণ আছিল।

তেওঁ কয়, যে দেশ বিভাজনৰ সময়ত পশ্চিমবংগ ভাৰতৰ অবিচ্ছেদ্য অংগ হৈ থকাটো নিশ্চিত কৰাৰ বাবে ডং মুখাৰ্জীয়ে দৃঢ়তাৰে থিয় দিছিল আৰু ইয়াৰ পাছত জম্মু-কাশ্মীৰক ভাৰতৰ অভিন্ন অংশ কৰি ৰখাত শক্তিশালী স্থিতি গ্ৰহণ কৰিছিল। ২০১৯ চনত ৩৭০ নম্বৰ অনুচ্ছেদ আৰু ৩৫ (ক) অনুচ্ছেদ বাতিল কৰাটো তেওঁৰ ত্যাগৰ প্ৰতি সমুচিত শ্ৰদ্ধাঞ্জলি আছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে বিশিষ্ট চিন্তাবিদগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী শ্বাহে কয়, যে ডং শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে ৰাষ্ট্ৰ প্ৰথম ধাৰণাক নিজৰ জীৱনৰ দিক্ নিৰ্দেশক কৰি লৈছিল। জাতীয় সংহতিৰ বাবে তেওঁৰ জীৱনজোৰা যুঁজ তথা অটল প্ৰতিশ্ৰুতিবদ্ধতাই পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি শ্ৰী শ্বাহে উল্লেখ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে ডং মুখাৰ্জীৰ জীৱন হৈছে ৰাষ্ট্ৰীয় সেৱা আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ অনুপ্ৰেৰণামূলক উদাহৰণ। এগৰাকী শিক্ষাবিদ হিচাপে ডং মুখাৰ্জীয়ে উচ্চ শিক্ষা খণ্ডলৈ উল্লেখনীয় অৱদান আগবঢ়োৱাৰ লগতে এগৰাকী জননেতা হিচাপে ৰাষ্ট্ৰৰ স্বাৰ্থ আৰু গণতান্ত্ৰিক মূল্যবোধৰ দিশত কাম কৰি গৈছিল বুলি শ্ৰী বিৰলাই উল্লেখ কৰে।

তেওঁ নিজৰ চিন্তা আৰু কাৰ্যৰ জৰিয়তে এখন সমৃদ্ধিশালী আৰু আত্মনিৰ্ভৰশীল ভাৰতৰ দৰ্শনক শক্তিশালী স্থিতি প্ৰদান কৰি গৈছে বুলি লোকসভাৰ অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উপলক্ষে আজি বিয়লি পাঁচ বজাৰ পৰা কলকাতাৰ মিলন মেলা প্ৰাংগণত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত 'সুৰ, সংগীত আৰু ৰাষ্ট্ৰ' আৰু সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰতি সংগীতময় শ্ৰদ্ধা জনোৱা হ'ব। লগতে ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি আৰু তেওঁৰ জীৱনৰ সৈতে জড়িত বস্তুবিশেষৰ প্ৰদৰ্শনী কৰা হ'ব। এই অনুষ্ঠানত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী সুবেন্দু অধিকাৰী আৰু কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট উপস্থিত থাকিব।

ooooooooo

ভেনিজুৱেলাত ২৪ জুনত হোৱা দুটা বিধবংসী ভূমিকম্পত মৃত্যুৰ সংখ্যা ৩ হাজাৰ ৩৪২ লৈ বৃদ্ধি হৈছে। এই দুৰ্যোগত ১৬ হাজাৰ ৭৪০ৰো অধিক লোক আহত হয় আৰু ১৭ হাজাৰৰো অধিক লোক গৃহহীন হৈছে। দেশখনৰ সংসদ নেচনেল এছেম্বলিৰ অধ্যক্ষ জৰ্জ ৰ'ড্ৰিগুৱেজে কয়, যে এইপৰ্যন্ত ৬ হাজাৰ ৬৬২ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে। প্ৰশাসনে গৃহহীন সকলৰ বাবে ৮০টা অস্থায়ী শিবিৰ স্থাপন কৰিছে। দেশখনত ২৪ জুনৰ এই ৭ দশমিক ২ আৰু ৭ দশমিক ৫ ৰিখটাৰ স্কেল প্ৰাবল্যৰ ভূমিকম্প দুটাৰ পাছত কমেও ৯৯৫টা আফ্‌টাৰশ্বকৰ জোকাৰণি অনুভূত হৈছে।

ooooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত ইংলেণ্ডে মেক্সিকোক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

প্ৰতিযোগিতাত যোৱা নিশা নৰৱেই পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইপিনে নৰৱেৰ বিৰুদ্ধে পৰাজয়ৰ পাছতে নেইমাৰ জুনিয়ৰে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ ঘোষণা কৰে।

ooooooooo

সমাপ্ত